


ANUBHABAR DOLICHAT MOOR KABITA: A Collection of Poems *composed by Anima Neog, Jorhat, Assam.* Printed at Barnamala Prakashan, T.R.P. Road, Jorhat-1, Assam.

---

Price : Rs.180 /- only.

# অনুভৱৰ দলিচাত মোৰ কৱিতা

**কবি ঃ অণিমা নেওগ**

**দূৰভাষ ঃ** ৯৪৩৫৩৫০৮৬২

**প্ৰকাশক ঃ** বৰ্ণমালা প্ৰকাশন

**গ্ৰন্থস্বত্ব ঃ** গ্ৰন্থকাৰ

**প্ৰথম প্ৰকাশ ঃ** অক্টোবৰ, ২০২৫

**অক্ষৰ বিন্যাস ঃ** বৰ্ণমালা ডেস্কটপ

**বেটুপাত অলংকৰণ ঃ** কৃষ্ণা দত্ত

**মূল্য ঃ** ১৮০ টকা

ISBN : ৯৭৮-৯৩-৯২৮১৫-৭২-০

**মুদ্ৰণ ঃবৰ্ণমালা প্ৰকাশন**

**তৰুণৰাম ফুকন পথ, যোৰহাট-১**

দূৰভাষঃ৮০১১৪৩৩০২০

Email : barnamala10jrt@gmail.com

# অৰ্পণ

যাক ভৰসা কৰি আদৰৰ কন্যাক দান কৰিলো জীৱনলৈ, সেইজন মৰমৰ জোঁৱাই সিদ্ধাৰ্থ শংকৰ বৰাৰ (টিকু) হাতত গ্ৰন্থখন অৰ্পণ কৰিলো।

অণিমা নেওগ



# একাষাৰ

কেতিয়াবা মন অশান্ত হয়, আবেগে তোলপাৰ লগায়। নানা চিন্তা -ভাৱনাই ক্ৰিয়া কৰে। তেতিয়াই মনলৈ বহু ভাৱে অগা-দেৱা কৰে। লিখি ৰাখো মনক সান্ত্বনা দিবলৈ। এইখন মোৰ সপ্তম সংখ্যক প্ৰকাশিত কৱিতা পুথি।

মনৰ ভাৱনাক পাঠকৰ সতে একাত্ম হ'বলৈ এৰি দিছো। আদৰি ল'লে মোৰ কষ্টই মূল্য পাব বুলি আশা ৰাখি, বৰ্ণমালা প্ৰকাশনৰ স্বত্বাধিকাৰী হাজৰিকা দেৱক জনালো আন্তৰিক ধন্যবাদ। মোৰ অনুৰোধক উপেক্ষা নকৰি গ্ৰন্থখন প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰাৰ বাবে তেখেত ধন্যবাদৰ পাত্ৰ।

অণিমা নেওগ
দোক-মোকালি, সুৰাগপুৰ
চোলাধৰা, যোৰহাট

# সূচীপত্র


- এটি সপোনৰ পম খেদি ‖৯
- নিজেই নিঃশেষ হ’বা নজনাকৈয়ে ‖১০
- যাত্রা মোৰ অবিৰত ‖১১
- শীত আহে মনে মনে ‖১৩
- স্বজাতিৰ খেল ‖১৫
- যন্ত্রণাৰ এক নাম স্মৰণ ‖১৬
- জীৱনৰ ছন্দ বিচাৰি ‖১৭
- ধুনীয়া নহ’লো মই ‖১৯
- স্থবিৰতাই হেঁচুকি দিয়ে মনটোক ‖২০
- মই মই হৈয়ে আছো ‖২১
- এটি পুৰাৰ সন্ধানত ‖২৩
- কোনো বস্তু স্থায়ী নহয় ‖২৪
- পৰিচয় ‖২৫
- হৃদয় বীণৰ সুৰ ‖২৭
- বসন্ত ‖২৮
- শূন্যতা ‖২৯
- শব্দ ‖৩০
- মই পৰোপকাৰী হ’ব বিচাৰো ‖৩৩
- মোৰ কথাত যদি আমনি পোৰা ‖৩৫
- তাই এজনী ছোৱালী ‖৩৭
- মোৰ জাতি মোৰ ভাষা ‖৩৯
- জীৱন ‖৪১





- নিবিচাৰে মোৰ মনে জোনাকী কাৰেং ‖৪৩
- মই মানুহ হ’ব বিচাৰো ‖৪৫
- সম্পৰ্ক ‖৪৬
- স্মৃতিৰ এৰাবাটত ‖৪৭
- মই উভলা গছ নহয় ‖৪৯
- জীৱন ডিঙৰাত উটি-ভাঁহি ‖৫১
- অকলশৰীয়া ‖৫২
- ফাগুনৰ আবেলি ‖৫৩
- পিতৃ দিৱস ‖৫৫
- মই আজিও আশাত বন্দী ‖৫৭
- দাপোনত এখন ছবি ‖৫৯
- ৰথৰ চকৰি ঘূৰিবনে কেতিয়াবা ‖৬১
- মই এটা শূন্য ‖৬২
- তোষামোদ ‖৬৩
- মোক মানুহ হিচাপে জীয়াই থাকিবলৈ দিয়া ‖৬৫
- এক সন্মোহন ‖৬৭
- ছবিয়ে কথা কয় ‖৬৯
- পৰিভ্ৰমী চৰাই মই ‖৭০
- সপোন এনেদৰেই আহে জীৱনলৈ ‖৭১
- চ্যুকাফা ‖৭২
- জাকৈয়া ছোৱালীজনী ‖৭৩

- ➢ মোক লাগে মুক্ত জীৱন ‖৭৪
- ➢ বন্ধ কোঠাৰ উন্মাদনা ‖৭৫
- ➢ জীৱনে মোক কি দিছে ‖৭৬
- ➢ মই এটি তাজমহল সাজিম ‖৭৭
- ➢ উভতি চাওঁ অতীতক ‖৭৯
- ➢ মাজুলী বহু দূৰ ‖৮১
- ➢ সময়ৰ ঠিকনা ‖৮৩
- ➢ জীৱন্মৃত ‖৮৪
- ➢ মৰীচিকাৰ পিছত ‖৮৫
- ➢ মই পুৰণি হৈও নতুন ‖৮৬
- ➢ মোৰ ভাগ্য ময়ে লিখিম ‖৮৭
- ➢ জীৱনৰ শিকনি ‖৮৯
- ➢ মই জ্যোতি ‖৯১
- ➢ শিকলি ‖৯৩
- ➢ যুগৰ আহ্বান ‖৯৫
- ➢ প্ৰেমৰ সংজ্ঞা ‖৯৭
- ➢ আহেনে মনলৈ নৱ আলোড়ন ‖৯৯
- ➢ মই লাচিতে মৈদামৰ পৰা কৈছো ‖১০১
- ➢ বিষ্ণুৰাভা আজি নাই ‖১০৩
- ➢ ভালপোৱাৰ গান ‖১০৪
- ➢ শান্তিৰ অন্বেষণত ‖১০৫
- ➢ আহিন কিয়নো পাহৰিলি ‖১০৬
- ➢ চ'ত তই নাহিবি ‖১০৭
- ➢ এন্ধাৰ বিনাশি পোহৰ হ'বই ‖১০৯
- ➢ গৰ্জন ‖১১০





- ➢ পথৰ পম খেদি ‖১১১
- ➢ দুখৰ নদীত সুখৰ সন্ধান ‖১১২
- ➢ বৰষুণ জাক আহিল ‖১১৩
- ➢ পৰিবৰ্তন ‖১১৫
- ➢ এটা সূৰ্য্যৰ মৃত্যু হ'ল ‖১১৭
- ➢ শত্ৰুৰ কিৰিলি শুনিছানে ‖১১৯
- ➢ সপোনে যেতিয়া পাখি মেলে ‖১২১
- ➢ গানৰ মৃত্যু নাই ‖১২২
- ➢ সোঁৱৰণিয়ে কথা কয় ‖১২৩
- ➢ সলাব বিচাৰো জীৱনৰ সুঁতি ‖১২৫
- ➢ মোৰ স্মৃতি, মোৰ শৈশৱ ‖১২৬
- ➢ মোক নুসুধিবা ৰাতি কিমান হ'ল ‖১২৭
- ➢ এটি পুৰাৰ সন্ধানত ‖১২৯
- ➢ হাঁহিবলৈ মোৰো মন ‖১৩১
- ➢ মোক নুসুধিবা কেনে আছো ‖১৩৩
- ➢ প্ৰথম কৰিতা ‖১৩৫
- ➢ অনুভৱ ‖১৩৬
- ➢ টেক্স ‖১৩৭
- ➢ পৰিহাস ‖১৩৯
- ➢ এটি গান ‖১৪০
- ➢ ছোৱালীৰ বিয়া ‖১৪১
- ➢ মুখা ‖১৪৩
- ➢ আৰতি ‖১৪৪
- ➢ খলকনি ‖১৪৫
- ➢ সংশয়ৰ চাকনৈয়াত ‖১৪৭

## এটি সপোনৰ পম খেদি

মনত বহুত সপোন আছিল
একোকে কৰিব নোৱাৰিলো
আনৰ অংক মিলাওতে মিলাওতে
মোলৈচোন শূন্যহে থাকিল
বৃত্তৰ মাজত জানো আশা থাকে?
বুকুৰ মাজৰ অৰণ্য খনত
আজিও বাজি থাকে বীণৰ তাঁৰ
গুণ গুণ শৱদেৰে ৰজনজনাই ...
শুনিবলৈ পাওঁ মাত্ৰ সেই সুৰ ...।
কোনোদিনে দুখৰ সাগৰ খনৰ পাৰেই নাপালো
কিমান সাঁতুৰিম আৰু ...
বাহুতো শক্তি থাকিব লাগিব ...
ভাগৰি পৰিও পৰিব নিবিচৰা মনটোও
আজি ক্লান্ত ...
উকা পথাৰত জানো সপোন ৰচিব পাৰি?



## নিজেই নিঃশেষ হ’বা নজনাকৈয়ে

জীৱন সংগ্ৰামত প্ৰতি খোজত
সংঘাতৰ দাবানল জ্বলে
ৰিঙিয়াই ভাগৰি পৰা কৈশোৰে
আকৌ সকিয়াই জীৱন কি,
বিশ্বাস-অবিশ্বাসৰ দোমোজাত
হেৰুওৱাৰ মৰীচিকাত
স্তব্ধ হয় অবিৰত যাত্ৰা ।
মুখৰ মাত ফুটোটেই
ওলাই বিপ্লৱৰ বাণী...
আখৰাৰ প্ৰয়োজনহীন বুদ্ধিমত্তাত
শেলুবৈৰ আৱৰণ,
ক’ত হেৰাল মধুৰ সম্পৰ্ক ...।
কোনোদিনে লক্ষ্যভেদ কৰিব নোৱৰা
পংগুত্বক সাৰটি
পাৰ কৰিব কিমান ৰজনী,
এদিন নিঃচিহ্ন হ’ব নিজৰ লেটাটোত
নাপাব উদ্ধমুখী সূৰুযৰ সোণালী আভা
স্তিমিত পোহৰত ৰচিব জীৱনৰ গাঁথা
হেৰুৱাই সুন্দৰ ভৱিষ্যত ...।